# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-06-2026
**Time :** 01.40 PM.

ASSAMESE MID-DAY BULLETIN

## HEADLINES

::::::::::::::::::::

১।	১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে।

২।	পি এম স্বনিধি আঁচনিৰ আজি ছবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে।

৩।	অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিকাশৰ গতি সম্পৰ্কে অৱগত কৰে।

৪।	ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ পাঁচগৰাকী নতুন ন্যায়াধীশক নিযুক্তি দিছে।

আৰু

৫।	৩৫ গৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে পশ্চিমবংগ ৰাজ্যিক মন্ত্ৰীসভাৰ আজি সম্প্ৰসাৰণ কৰা হৈছে।

০০০০০

১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু কৰ্ণাটকৰ ৪ খনকৈ, ৰাজস্থান আৰু মধ্যপ্ৰদেশত ৩ খন, ঝাৰখণ্ডত দুখন আৰু মণিপুৰ, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ একোখনকৈ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। চলিত মাহত ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যকাল সম্পূৰ্ণ হ'বলগীয়া নেতাসকলৰ ভিতৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ নেতা এইচ ডি দেৱেগৌড়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা জৰ্জ কুৰিয়ান আৰু ৰৱনীত সিং, ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে অন্যতম।

ইপিনে মহাৰাষ্ট্ৰ, তামিলনাডু আৰু ওড়িশাৰ এখনকৈ আসনত ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবেও আজি অধিসূচনা জাৰি কৰা হৈছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী সুনেত্ৰা অজিত পাৱাৰ আৰু তামিলনাডুৰ এ আই ডি এম কেৰ সাংসদ চি ভি ছনমুগাম বিধানসভালৈ শেহতীয়াকৈ নিৰ্বাচিত হোৱাৰ ফলত এই আসনকেইখন খালী হৈ আছে। ওড়িশাৰ বিজেডিৰ সাংসদ দেৱাশীষ সামান্ত্ৰে সাংসদ পদ প্ৰত্যাহাৰ কৰিছে।

ৰাজ্যসভাৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ আজিৰে পৰা ৮ জুনলৈ দাখিল কৰিব পাৰিব। ১৮ জুনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু সেইদিনাই ভোটগণনা কৰা হ'ব।

০০০০০

পি এম স্বনিধি আঁচনিৰ আজি ছবছৰ সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আঁচনিৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি কয়, যে পি এম স্বনিধি আঁচনিয়ে পদপথৰ অগণন ব্যৱসায়ীক বিত্তীয় অন্তৰ্ভুক্তি, নতুন

সা-সুবিধা লাভ আৰু আমানতবিহীন ঋণৰ সুবিধা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰী মোদীয়ে কয়, যে এই আঁচনি বিশ্বাস, মৰ্যাদা আৰু সৰলীকৰণৰ প্ৰতীক। প্ৰধানমন্ত্ৰীয়ে হিতাধিকাৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰি কয়, যে তেওঁলোকৰ দৃঢ়তা আৰু উদ্যমশীলতাই দেশৰ অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত সহায় কৰিব। উল্লেখযোগ্য যে ২০২০ চনত এই আঁচনি শুভাৰম্ভ কৰাৰে পৰা ১ কোটি ১২ লাখ টকাতকৈ অধিক ঋণ বিতৰণ কৰা হৈছে। এই আঁচনিয়ে ৭৫ লাখতকৈ অধিক নগৰ-মহানগৰৰ হিতাধিকাৰীক উপকৃত কৰিছে। আনহাতে, ৫৫ লাখৰো অধিক হিতাধিকাৰীক এই আঁচনিৰ অধীনত ডিজিটেল ব্যৱস্থাৰে সামৰি লোৱা হৈছে। ২০৩০ চনৰ মাৰ্চলৈকে এই আঁচনিৰ সম্প্ৰসাৰণ কৰা হৈছে।

00000

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিকাশৰ গতি সম্পৰ্কে অৱগত কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে নিজৰ সততা আৰু নিষ্ঠাৰে জনসেৱা ক্ষেত্ৰত নজিৰ সৃষ্টি কৰা ৰাধাকৃষ্ণণক সাক্ষাৎ কৰাটো এটা শিক্ষণৰ অভিজ্ঞতা বুলি ক'ব পাৰি। মুখ্যমন্ত্ৰীয়ে অনাগত সময়তো উপ-ৰাষ্ট্ৰপতিগৰাকীৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে।

ইপিনে, অসমক দেশৰ ক্ৰীড়াৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা কামনা কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই সাক্ষাৎ কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যম এক্সত দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিজেপিয়ে সেৱা প্ৰথম মনোভাৱেৰে কাম কৰি আহিছে। ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী মন্দাভিয়াৰ জন্মদিন উপলক্ষে তেওঁৰ বাসগৃহত সাক্ষাৎ কৰি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অসমৰ ক্ৰীড়াক্ষেত্ৰৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। উল্লেখযোগ্য যে অসম চৰকাৰে ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি বিকাশ কৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ বাবেও চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

00000

উচ্চতম ন্যায়ালয়ত ৫ গৰাকী নতুন ন্যায়াধীশক নিযুক্তি দিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশকে ধৰি এই নতুন নিযুক্তিৰ জৰিয়তে সৰ্বোচ্চ ন্যায়ালয়খনৰ ন্যায়াধীশৰ সংখ্যা ৩৭ লৈ বৃদ্ধি পালে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে উচ্চতম ন্যালায়ৰ মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি ৰাষ্ট্ৰপতিয়ে এই ৫ গৰাকী ন্যায়াধীশক নতুনকৈ নিযুক্তি দিছে।

আইন মন্ত্ৰালয়ে জাৰি কৰা এখন জাননীমতে পঞ্জাব আৰু হাৰিয়ানাৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্বীল নাগু, বোম্বে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰীচন্দ্ৰশেখৰ, মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ সচদেৱ আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰুণ পল্লীক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। জ্যেষ্ঠ অধিবক্তা ৰেনকিতা সুব্ৰমণি মোহানাকো সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপ নিযুক্তি দিয়া হয়।

উল্লেখযোগ্য যে যোৱা মাহত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা ৩৩ৰ পৰা ৩৭লৈ বৃদ্ধি কৰাৰ বাবে এখন আধ্যাদেশ জাৰি কৰা হৈছিল।

00000

৩৫ গৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে পশ্চিমবংগ ৰাজ্যিক মন্ত্ৰীসভাৰ আজি সম্প্ৰসাৰণ কৰা হৈছে। কলকাতাৰ লোকভৱনত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল আৰ এন ৰবিয়ে মন্ত্ৰীসভাৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। নতুন মন্ত্ৰীসভাত ৰাজ্যখনৰ বিভিন্ন সমষ্টিক প্ৰতিনিধিত্ব কৰি অভিজ্ঞ আৰু নৱাগত বিধায়কে স্থান লাভ কৰিছে। আজি শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ লগতে জ্যেষ্ঠ দলীয় নেতাসকল উপস্থিত থাকে। আজি পিছবেলালৈ নতুন মন্ত্ৰীসকলৰ মাজত দপ্তৰ বিতৰণ কৰা হ'ব। আজিৰ কাৰ্যসূচীত স্বপন দাসগুপ্তা, অৰ্জুন সিং, তাপস ৰয়, শংকৰ ঘোষকে ধৰি কেইবাগৰাকীও মন্ত্ৰীয়ে কেবিনেট মন্ত্ৰী হিচাপে শপত লয়।

যোৱা ৯ মে'ত ৫ গৰাকী মন্ত্ৰীৰ সৈতে শপত গ্ৰহণ কৰা শুভেন্দু অধিকাৰীৰ মন্ত্ৰীসভাত নতুন মন্ত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooo

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান- আই আই টি ৰুৰকীয়ে আজি জে ই ই এডভান্স পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। আই আই টিৰ সূত্ৰই জনোৱা মতে এই পৰীক্ষাত মুঠ ৫৬ হাজাৰ ৮৮০ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ইয়াৰে ১০ হাজাৰ ১০৭ গৰাকী মহিলা। আই আই টি দিল্লী মণ্ডলৰ শিক্ষাৰ্থী সুভম কুমাৰে কমন ৰেংক তালিকাৰ শীৰ্ষ স্থান লাভ কৰিছে। শ্ৰী কুমাৰে ৩৬০ নম্বৰৰ ভিতৰত ৩৩০ লাভ কৰে। একেদৰে আই আই টি দিল্লী মণ্ডলৰ শিক্ষাৰ্থী আৰুচি দেশপাণ্ডেই সমূহীয়া স্থান তালিকাৰ ৭৭ নম্বত স্থান লাভ কৰিছে। আৰুচিয়ে ৩৬০ নম্বৰৰ ভিতৰত ২৮০ লাভ কৰিবলৈ সমৰ্থ হয়। মুঠ এক লাখ ৭৯ হাজাৰ ৬৯৪ পৰীক্ষাৰ্থীয়ে প্ৰথম আৰু দ্বিতীয় দুয়োটা পৰীক্ষাতে অৱতীৰ্ণ হৈছিল। উল্লেখযোগ্য যে বিগত মাহৰ ১৭ তাৰিখে এই পৰীক্ষা সুকলমে অনুষ্ঠিত হয়। পৰীক্ষাত নিজৰ ফলাফল জানিবলৈ ছাত্ৰ-ছাত্ৰীসকলে অফিচিয়েল বেৱচাইট jeeadv.ac.in ত চাব পাৰে।

ooooo

ভাৰত-ওমান ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি– CEPA আজিৰে পৰা কাৰ্যক্ষম হ'ব। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে কয়, যে দুয়োখন দেশৰ অৰ্থনৈতিক আৰু কৌশলগত সম্পৰ্কৰ ওপৰত CEPA-এ নিৰ্ভৰ কৰিব। ৰাষ্ট্ৰীয় বাতৰি কাকতৰ এটা লেখাত শ্ৰীগোৱেলে প্ৰকাশ কৰে যে, এই চুক্তিয়ে ভাৰতৰ শিক্ষাৰ্থী, শিল্পী, মহিলা, কৃষক, মীনপালক আদিক উপকৃত কৰিব। ইয়াৰ লগতে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ গৰাকীসকলক নতুন বজাৰ মুকলি, বিনিয়োগৰ আকৰ্ষণ আৰু কৰ্মসংস্থাপন সৃষ্টিৰ জৰিয়তে লাভান্বিত কৰিব। ওমানৰ জনসাধাৰণৰ সৈতে ভাৰতৰ ঘনিষ্ঠতা থকাৰ লগতে দুয়ো দেশৰ মাজত অৰ্থনৈতিক সম্পৰ্কও আছে। ওমানত প্ৰায় ৭ লাখ ভাৰতীয়ই বাস কৰি আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে ওমানৰ পৰা বছৰি ২ বিলিয়ন ডলাৰ উপাৰ্জন কৰে আৰু তাত ৬ হাজাৰতকৈও অধিক ভাৰতীয়ই উদ্যোগ স্থাপনেৰে ব্যৱসায় কৰি আছে। মন্ত্ৰী শ্ৰীগোৱেলে কয়, যে এই ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ জৰিয়তে ভাৰতে ওমানৰ ১০০ শতাংশ শুল্কমুক্ত বজাৰত প্ৰৱেশৰ সুবিধা লাভ কৰিব। ইয়াৰ ফলত CEPA-ৰ পূৰ্বৰ ব্যৱস্থাৰ উন্নতি সাধন হৈছে। মন্ত্ৰী শ্ৰীগোৱেলে কয়, যে ভাৰতৰ যিবোৰ সামগ্ৰীয়ে বৰ্তমানত ওমানত ৫ শতাংশ আমদানি শুল্ক দিবলগীয়া হৈ আছে, সেইবোৰ বৰ্তমান অধিক প্ৰতিযোগিতাৰ মুখামুখি হ'ব।

ooooo

ম্যানমাৰৰ পৰা পলায়নৰ প্ৰায় এক দশক পাছত বাংলাদেশত ৰহিংগীয়া শৰণাৰ্থীৰ বাবে সহায় “ভংগুৰ পৰ্যায়”ত প্ৰৱেশ কৰিছে বুলি সংযুক্ত ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগ"–এ প্ৰকাশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় পুঁজিৰ হ্ৰাস, শিবিৰৰ অৱস্থাৰ অৱনতি আৰু সুৰক্ষাৰ দিশতো উদ্বেগ বৃদ্ধি পাইছে বুলি আয়োগে প্ৰকাশ কৰিছে ।

২০২৬ চনত "যৌথ সঁহাৰি পৰিকল্পনা" গঠন কৰি ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ অংশীদাৰসকলে ১৫ কোটিতকৈ অধিক ৰোহিংগীয়া শৰণাৰ্থী আৰু আন সম্প্ৰদায়ক সহায় কৰিবলৈ ৭১ কোটি মাৰ্কিন ডলাৰতকৈ অধিক ধনৰ আবেদন জনাইছে।

ম্যানমাৰলৈ ঘূৰি অহাৰ সম্ভাৱনা সীমিত হৈ বাংলাদেশত প্ৰায় ১৩ লাখ ৰাষ্ট্ৰহীন ৰহিংগীয়াৰ আছে। বিভিন্ন সংস্থাই জানিবলৈ দিয়া মতে শিবিৰসমূহৰ ভিতৰত জীৱিকাৰ সুযোগ সীমিত হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি বিগত বৰ্ষত মাত্ৰ ২৩ শতাংশ শৰণাৰ্থী পৰিয়ালেহে কামৰ বিপৰীতে নগদ ধন লাভ কৰিছিল । আনহাতে ৩৫ শতাংশ শৰণাৰ্থীৰ উপাৰ্জনৰ কোনো উৎস নাছিল আৰু সম্পূৰ্ণৰূপে সাহায্যৰ ওপৰত নিৰ্ভৰশীল আছিল।

২০২৪ চনৰ আৰম্ভণিৰ পৰা মহিলা, শিশু, বৃদ্ধ, বিশেষভাৱে সক্ষম লোক আৰু প্ৰায় ডেৰ লাখ নতুনকৈ অহা লোক ধনৰ নাটনিৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। ৰাষ্ট্ৰসংঘই ৰহিংগীয়াসকলক স্বেচ্ছামূলক, নিৰাপদ আৰু মৰ্যাদাপূৰ্ণভাৱে ম্যানমাৰলৈ ঘূৰাই পঠোৱাৰ প্ৰয়োজনীয়তা পুনৰবাৰ উল্লেখ কৰিছে যদিও ইয়াৰ অগ্ৰগতি সীমিত হৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

সমাপ্ত